# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী ডাট' ছেৰি আনৱাৰ বিন ইব্ৰাহিমে আজিৰে পৰা তিনিদিনীয়া সূচীৰে ভাৰত ভ্ৰমণ কৰিব।

২। দেশত মাংকিপক্স ৰোগৰ প্ৰাদুৰ্ভাৱৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ মুখ্য সচিব ড০ পি কে মিশ্ৰৰ অধ্যক্ষতাত কালি এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়।

৩। আজি ৰাখী বন্ধন। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ৰাখী বন্ধন উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। বিদেশ মন্ত্ৰী এছ্. জয়শংকৰে আজি নতুন দিল্লীত নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰ্জু ৰাণা দেউবাৰ সৈতে বৈঠকত মিলিত হ'ব।

*আৰু*

৫। বাংলাদেশৰ অন্তৰৱৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে কৈছে যে, প্ৰশাসনীয় ব্যৱস্থাত প্ৰয়োজনীয় সংস্কাৰ অনাৰ পাছত দেশখনত শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী ডাট' ছেৰি আনৱাৰ বিন ইব্ৰাহিমে আজিৰে পৰা তিনিদিনীয়া সূচীৰে ভাৰত ভ্ৰমণ কৰিব। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত এয়া হ'ব তেওঁৰ প্ৰথমটো বিদেশ ভ্ৰমণ। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰকো সাক্ষাৎ কৰিব।

ভাৰত আৰু মালয়েছিয়াৰ শক্তিশালী ঐতিহাসিক আৰু সামাজিক সাংস্কৃতিক সম্পৰ্ক আছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মালয়েছিয়া ভ্ৰমণৰ সময়ত দুয়োখন ৰাষ্ট্ৰৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক বৰ্ধিত, কৌশলগত অংশীদাৰিত্বলৈ উন্নীত হয়। প্ৰধানমন্ত্ৰী আনৱাৰ বিন ইব্ৰাহিমৰ ভাৰত ভ্ৰমণে বিভিন্ন খণ্ডৰ সহযোগিতাৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ জৰিয়তে ভৱিষ্যতে দুয়োখন দেশৰ দ্বিপাক্ষিক মিত্ৰতা অধিক শক্তিশালী কৰাৰ পথ মুকলি কৰিব।

০০০০০০

দেশত মাংকিপক্স ৰোগৰ প্ৰাদুৰ্ভাৱৰ পৰা ৰক্ষা পাবৰ বাবে গ্ৰহণ কৰা বিভিন্ন প্ৰস্তুতি সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ মুখ্য সচিব ড০ পি কে মিশ্ৰৰ অধ্যক্ষতাত কালি এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জনস্বাস্থ্য উপায় সম্পৰ্কীয় বিষয়সমূহতো আলোচনা কৰা হয়। বৈঠকত মুখ্য সচিবগৰাকীয়ে এই ৰোগৰ তাৎক্ষণিকভাৱে ধৰা পেলাব পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰীক্ষণ ব্যৱস্থা বৃদ্ধি কৰিবলৈ ৰাজ্যসমূহক নিৰ্দেশ দিয়ে। তেওঁ লগতে আগতীয়াকৈ এই ৰোগ ধৰা পেলাবপৰাকৈ পৰীক্ষাগাৰসমূহক অধিক সূক্ষ্ম আৰু বিস্তৃতভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, দেশত বৰ্তমান এই ৰোগৰ পৰীক্ষণ কৰিব পৰা ৩২টা পৰীক্ষাগাৰ আছে। শ্ৰীমিশ্ৰই কয় যে, এই ৰোগৰ প্ৰতিৰোধ আৰু চিকিৎসা সন্দৰ্ভত ব্যাপকভাৱে জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা উচিত। তেওঁ মাংকিপক্সৰ লক্ষণ আৰু প্ৰতিৰোধ সন্দৰ্ভত স্বাস্থ্যকৰ্মীসকলৰ মাজত সজাগতা বৃদ্ধি কৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে।

উল্লেখযোগ্য যে, দেশত এতিয়ালৈকে মাংকিপক্স ৰোগত কোনো লোক আক্ৰান্ত হোৱা নাই আৰু ব্যাপক হাৰত এই ৰোগত আক্ৰান্ত হোৱাৰ আশংকাও অতি কম। এই ৰোগত আক্ৰান্ত লোকৰ শৰীৰত জ্বৰ, ডিঙিৰ সুৰসুৰনি, ডিঙিৰ গ্ৰন্থি ফুলা, ছাল ৰঙা পৰা, ককালৰ বিষ আদি লক্ষণে দেখা দিয়ে। সাধাৰণতে ইয়াৰ সংক্ৰমণ ২ৰ পৰা ৪ সপ্তাহলৈ থাকে আৰু চিকিৎসাৰ জৰিয়তে ইয়াৰ পৰা আৰোগ্য লাভ কৰিব পাৰি। দীঘলীয়া সময় ধৰি সংক্ৰমিত যিকোনো লোকৰ সংস্পৰ্শলৈ আহিলে এই ৰোগ বিয়পিব পাৰে। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা অনুসৰি ২০২২ চনৰ পৰা এই ৰোগত ১১৬ খন দেশৰ ৯৯ হাজাৰতকৈ অধিক লোক আক্ৰান্ত হোৱাৰ বিপৰীতে ২০৮ জন লোকৰ মৃত্যু হৈছে।

০০০০০০

আজি ৰাখী বন্ধন। ভাতৃ-ভগ্নীৰ মাজৰ বিশেষ বন্ধনক পালন কৰাৰ এই উৎসৱ আজি সমগ্ৰ দেশতে পালন কৰা হ'ব। এই উৎসৱত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙৰ ৰাখী বান্ধি তেওঁলোকৰ সু-স্বাস্থ্য আৰু সমৃদ্ধিৰ হকে প্ৰাৰ্থনা জনায়। ইয়াৰ বিনিময়ত ভাতৃয়ে ভগ্নীৰ সুৰক্ষা আৰু সমৰ্থনৰ শপত লৈ তেওঁলোকক উপহাৰ প্ৰদান কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাখী বন্ধন উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয় যে, ৰাখী বন্ধন হৈছে ভাই-ভনীসকলৰ মাজত অনন্য বন্ধনৰ এক উৎসৱ, যি প্ৰেম আৰু পাৰস্পৰিক বিশ্বাসক শক্তিশালী কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, এই উৎসৱ হৈছে ধৰ্মীয় আৰু সাংস্কৃতিক সীমাৰ উৰ্ধত দেশৰ অনৈক্যৰ মাজত ঐক্যৰ প্ৰতীক। তেওঁ লগতে এই উৎসৱে মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ সংকল্পক অধিক শক্তিশালী কৰে বুলিও উল্লেখ কৰে।

অসমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই ৰাখী বন্ধন উপলক্ষে জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে এই উৎসৱে আমাৰ জীৱনত বিশেষ গুৰুত্ব বহন কৰাৰ লগতে জনসাধাৰণক প্ৰেম, বিশ্বাস আৰু সমন্বয়ৰ এনাজৰীৰে বান্ধি ৰাখে। এই উৎসৱে ভাতৃ-ভগ্নীৰ সম্পৰ্কক অধিক শকিশালী আৰু সুন্দৰ কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

বিদেশ মন্ত্ৰী এছ. জয়শংকৰে আজি নতুন দিল্লীত নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰ্জু ৰাণা দেউবাৰ সৈতে বৈঠকত মিলিত হ'ব। উল্লেখযোগ্য যে নেপালৰ বিদেশ মন্ত্ৰী আৰ্জু ৰাণা দেউবা পাঁচদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। এটা বিবৃতিত বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে, এই ভ্ৰমণ হৈছে ভাৰত আৰু নেপালৰ মাজত নিয়মীয়া উচ্চ পৰ্যায়ৰ বৈঠকৰ এটা অংশ। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে যে, নেপাল হৈছে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ গুৰুত্বপূৰ্ণ মিত্ৰদেশ। এই ভ্ৰমণে দুয়োখন দেশক দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ বিষয়ে আলোচনা আৰু পৰ্যালোচনা কৰাৰ সুযোগ প্ৰদান কৰিব বুলিও বিবৃতিটোত উল্লেখ কৰা হয়।

০০০০০০

বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে কৈছে যে প্ৰশাসনীয় ব্যৱস্থাত প্ৰয়োজনীয় সংস্কাৰ অনাৰ পাছত দেশখনত অতি সোনকালে মুক্ত, নিকা আৰু অংশগ্ৰহণমূলক নিৰ্বাচন অনুষ্ঠিত হ'ব। ঢাকাত কূটনীতিবিদসকলৰ সৈতে হোৱা এখন বৈঠকত মহম্মদ ইউনুছে কয় যে, নিৰ্বাচন আয়োগ, ন্যায়পালিকা, অসামৰিক প্ৰশাসন, নিৰাপত্তা বাহিনী আৰু সংবাদ মাধ্যমত গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰাৰ পিছতহে দেশখনত নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। ড০ ইউনুছে লগতে কয় যে অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ হৈছে আইন-শৃংখলাৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনা। তেওঁ কূটনীতিবিদসকলক আশ্বাস দি কয় যে, অন্তৰ্ৱৰ্তীকালীন চৰকাৰখনে পাৰস্পৰিক সন্মান আৰু সমিলমিলেৰে সকলো দেশৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিব। উল্লেখযোগ্য যে শ্বেখ হাছিনা চৰকাৰৰ উৎখাতৰ পিছত চলিত মাহৰ আৰম্ভণিতে ড০ ইউনুছে বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা হিচাপে শপত গ্ৰহণ কৰিছিল।

০০০০০০

পবিত্ৰ অমৰনাথ যাত্ৰাৰ আজি পুৰা সামৰণি পৰে। দেশৰ বিভিন্ন প্ৰান্তৰ ৫ লাখৰো অধিক তীৰ্থযাত্ৰীয়ে এইবাৰ অমৰনাথ গুহা পৰিদৰ্শন কৰে। জন্মু কাশ্মীৰৰ পৰা আমাৰ সংবাদদাতাই জনোৱা মতে, স্থানীয় পৰম্পৰা আৰু ধৰ্মীয় ৰীতি নীতিৰে অমৰনাথ যাত্ৰাৰ অন্তিম কাৰ্যসূচী আনুষ্ঠানিকভাৱে পুৱাৰ ভাগত সমাপন কৰা হয়।

উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ২৯ জুনত অমৰনাথ যাত্ৰা আৰম্ভ হৈছিল। এইবাৰ অভিলেখ সংখ্যক তাৰ্থযাত্ৰীয়ে অমৰনাথ গুহা পৰিদৰ্শন কৰি ভগৱান শিৱৰ আশিষ গ্ৰহণ কৰে। এই তাৰ্থযাত্ৰী সকলে অনন্তনাগৰ দীৰ্ঘ দূৰত্বৰ পহলগাম পথ আৰু গণ্ডাৰবল জিলাৰ চুটি কিন্তু ঠেক বাল্টাল পথ-- এই দুয়োটা পথেৰেই অমৰনাথ গুহালৈ ৰাওনা হৈছিল।

০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **মহাকাশ খণ্ডত সুযোগ বৃদ্ধি** সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত নতুন দিল্লীৰ ক্ষেত্ৰীয় দূৰ সংবেদন কেন্দ্ৰ, উত্তৰ অৰ্থাৎ NRSCৰ উপ মহাপ্ৰৱন্ধক ড০ সমীৰ সাৰনে অংশগ্ৰহণ কৰিব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি মহাকাশ খণ্ডত কেৰিয়াৰ সুযোগ সন্দৰ্ভত বিশেষজ্ঞগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

**সমাপ্ত**